স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 □ NO-129 □ MONDAY 14 JULY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIB

# বিহুৰ তালে তালে নাচি আনন্দ ৰাছিয়ানৰ



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৩ জুলাই ঃ অসম সাহিত্য সভা আন্তঃৰাজ্যিক বিদেশ মৈত্ৰী বন্ধন উপ-সমিতি, সত্ৰাধিকাৰ ভদ্ৰ কৃষ্ণ গোস্বামী স্মৃতিৰক্ষা সমিতি আৰু দ্যা কুৱেষ্টৰ উদ্যোগত ব্ৰহ্মপুত্ৰৰ পৰা মস্কো ভালৈ কলা আৰু ধাৰণাৰ সংগম, অসম মস্কো সমন্বয় সেতু, ইণ্ডো-ৰাছিয়ান সাংস্কৃতিক সন্ধিয়া শীৰ্ষক এক মননশীল কাৰ্যসূচী ১২ জুলাইৰ সন্ধিয়া মস্কোস্থিত দ্যা ধাৰা, লেনিনস্কাই প্ৰচপেক্ট-১৪৬-ত অনুষ্ঠিত হয়। অনুষ্ঠানত অসম সাহিত্য সভা ১৫ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

(ডিব্ৰুগড় সংস্কৰণ/DI



হিমন্ত বিশ্ব শ

## বিহুৰ তালে তালে নাচি আনন্দ ৰাছিয়ানৰ

আন্তঃৰাজ্যিক বিদেশ মৈত্ৰী বন্ধন উপসমিতিৰ আহ্বায়ক তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি এনেধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু প্ৰধান সম্পাদক দেৱজিত বৰাই যথেষ্ট উৎসাহ প্ৰদান কৰিছে। লগতে তেওঁ অসম সাহিত্য সভাই সমগ্ৰ পৃথিৱীত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি প্ৰচাৰ, প্ৰসাৰ আৰু উত্তৰণ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও উল্লেখ কৰে। অনুষ্ঠানত সত্ৰাধিকাৰ ভদ্ৰ কৃষ্ণ গোস্বামী স্মৃতিৰক্ষা সমিতিৰ হৈ মৈত্ৰী বন্ধনৰ সদস্য মিতালী গোস্বামীয়ে কেনেকৈ ৰাছিয়াত Vladimir Trochin-য়ে শ্ৰীমন্ত শংকৰদেৱৰ জীৱনৰ সতে জড়িত হৈ থকা কেতবোৰ কাল্পনিক ছবি সমগ্ৰ বিশ্বত প্ৰচাৰ কৰি আহিছে সেই বিষয়ে উপস্থিত সকলোকে অৱগত কৰে। অনুষ্ঠানত Vladimir Trochin-য়ে শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মক কেনেকৈ চিত্ৰ অংকনৰ জড়িয়তে সমগ্ৰ বিশ্বত প্ৰচাৰ কৰিছে সেই বিষয়ে পি পি টিৰ দ্বাৰা সুন্দৰভাৱে প্ৰদৰ্শন কৰে। মৈত্ৰী বন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতাই অসম আৰু ৰাছিয়াৰ মাজত সম্পৰ্ক কেনেকৈ যুগ যুগ ধৰি কটকটীয়া হৈ আহিছে সেই বিষয়ে অৱগত কৰাৰ লগতে এসময়ৰ অসমৰ পৰা প্ৰকাশিত 'ছোভিয়েট ৰাছিয়া' শীৰ্ষক আলোচনীখনৰ কথাও অৱগত কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত গোস্বামীয়ে ভিডিঅ'ৰ যোগেদি প্ৰেৰণ কৰা এটা বাৰ্তা প্ৰদৰ্শন কৰা হয়। মস্কোৰ ভাৰতীয় দূতাবাসৰ জৱাহৰলাল নেহৰু সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক মধুৰ কংকনা ৰয়ে এনেধৰণৰ এক আটকধুনীয়া কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে এনে এটি সুন্দৰ অনুষ্ঠানত তেওঁ উপস্থিত থাকিবলৈ পাই আৱেগিক হৈ পৰে। ৰয়ে কয়— এনেধৰণৰ অনুষ্ঠানৰ জড়িয়তে অসম আৰু ৰাছিয়াৰ মাজৰ সম্পৰ্ক অধিক মধুৰ হ'ব। অসমৰ বিহু দলটোৰ বিহু নৃত্যৰ তালে তালে ৰাছিয়ানসকলে বিহু নৃত্য কৰি পৰিৱেশ উপভোগ্য কৰি তোলে। অনুষ্ঠানত ড° বলেন্দ্ৰ কুমাৰ দাসেও মননশীল বক্তব্য আগবঢ়ায়। কাৰ্যসূচীত অসমৰ বিভিন্নজনৰ লগতে ৰাছিয়ানসকলেও গীত-নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটি অধিক উপভোগ্য আৰু সুন্দৰ কৰি তোলে।